# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰতৰ আত্মনিৰ্ভৰ অভিযানে আশা কৰা ধৰণৰ ফল দিছে আৰু দেশৰ প্ৰতিৰক্ষা ৰপ্তানি ২০২৯-৩০ বৰ্ষৰ ভিতৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি ছদিনীয়া অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰ ভ্ৰমণসূচীৰে ৰাওনা হ'ব।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ইস্তাহাৰ সংকল্প পত্ৰ মুকলি কৰিব।

৪। মালবিকা বন্সোড়ে হাইলো অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰতৰ অতনু দাসে ছুইজাৰলেণ্ডৰ লুছানেত অনুষ্ঠিত ছুইছ অপেন ইণ্ডোৰ আৰ্চাৰী প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰতৰ আত্মনিৰ্ভৰ অভিযানে আশা কৰা ধৰণৰ ফল দিছে আৰু দেশৰ প্ৰতিৰক্ষা ৰপ্তানি ২০২৯-৩০ বৰ্ষৰ ভিতৰত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস সমাৰোহত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে যুৱক-যুৱতীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে থলুৱাভাৱে অত্যাধুনিক প্ৰযুক্তি বিকশাই তুলিবলৈ আহ্বান জনায়। অত্যাধুনিক প্ৰযুক্তিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে যুৱ অভিযন্তাসকলক নিজৰ সমাৰ্থৰ প্ৰয়োগ কৰি অত্যাধুনিক প্ৰযুক্তি বিকশাই তুলিবলৈ আৰু দেশৰ প্ৰগতিত অৱদান আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰৰ লেখীয়া প্ৰতিষ্ঠানসমূহক শৈক্ষিক চালিকা শক্তি বুলি অভিহিত কৰে আৰু এই প্ৰতিষ্ঠানসমূহে বৰ্তমানৰ প্ৰতিযোগিতাৰ বাতাবৰণত দেশৰ প্ৰযুক্তিগত সামৰ্থৰ প্ৰসাৰত অৰিহণা যোগাব পাৰে বুলি মন্তব্য কৰে। চৰকাৰে

আত্মনির্ভৰশীলতাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চলোৱা প্ৰচেষ্টা সম্পূৰ্ণভাৱে সফল হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ১০ বছৰ পূৰ্বে দেশৰ প্ৰতিৰক্ষা ৰপ্তানি প্ৰায় ৬০০ কোটি টকা আছিল আৰু ২০২৩-২৪ বিত্তিয় বৰ্ষত এই পৰিমাণ ২১ হাজাৰ কোটি টকাৰো অধিক হৈছে। সম্প্ৰতি বিভিন্ন অঞ্চলত অব্যাহত থকা সংঘৰ্ষৰ বাবে বিশ্বৰ প্ৰতিৰক্ষা ব্যৱস্থাত প্ৰযুক্তিৰ বৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ড্ৰোণ, লেজাৰ যুদ্ধ, ছাইবাৰ যুদ্ধ, প্ৰিছিছন গাইডেড ক্ষেপনাস্ত্ৰ আৰু শব্দতকৈ বেগি ক্ষেপনাস্ত্ৰৰ ব্যৱহাৰে যুদ্ধক প্ৰযুক্তি আধাৰিত কৰি তুলিছে। তেওঁ লগতে দেশক প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে ব্যক্তিগত খণ্ড আৰু শিক্ষা খণ্ডকে ধৰি সকলো পক্ষকে একেলগে আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি ছদিনীয়া অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰ ভ্ৰমণসূচীৰে ৰাওনা হ'ব। এই ভ্ৰমণকালত ড০ জয়শংকৰে ব্ৰীছবেনলৈ যাব আৰু অষ্ট্ৰেলিয়াত ভাৰতৰ চতুৰ্থটো বাণিজ্যিক দূতাবাস মুকলি কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে কেনবেৰাত হ'বলগীয়া মন্ত্ৰীপৰ্যায়ৰ পঞ্চদশ পৰিকাথামো বৈঠকত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰীগৰাকীয়ে অষ্ট্ৰেলিয়াৰ সংসদ ভৱনত হ'বলগীয়া দ্বিতীয় ৰাইছিনা ডাউন আণ্ডাৰ সন্মিলনৰ উদ্বোধনী সত্ৰতো মূল ভাষণ প্ৰদান কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ নেতৃবৰ্গ, সাংসদ, প্ৰবাসী ভাৰতীয়, আগশাৰীৰ ব্যৱসায়ী আৰু অন্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰ ৮ নৱেম্বৰত ছিংগাপুৰত উপস্থিত হ'ব। তাত তেওঁ আছিয়ান ভাৰত উপদেষ্টা বিশেষজ্ঞ গোটৰ অষ্টম ঘূৰণীয়া মেজমেলক সম্বোধন কৰিব। তেওঁ লগতে দুয়ো দেশৰ মাজৰ ঘনিষ্ঠ সহযোগিতাৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে ছিংগাপুৰৰ নেতৃবৰ্গক সাক্ষাৎ কৰিব আৰু দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উপায়ৰ অন্বেষণ কৰিব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ইস্তাহাৰ সংকল্প পত্ৰ মুকলি কৰিব। শ্ৰী শ্বাহে লগতে ঘাটছিলাৰ ধালভূমগড়, হাজাৰিবাগৰ বৰকট্‌ঠা আৰু ছিমৰিয়াৰ চট্‌ৰাত তিনিখন নিৰ্বাচনী সভাত ভাষণ দিব। বিজেপি নেতাগৰাকী যোৱা নিশা দুদিনীয়া ঝাৰখণ্ড ভ্ৰমণসূচীৰে ৰাছীত উপস্থিত হয়। ভ্ৰমণকালত শ্ৰী শ্বাহে দলৰ নেতাসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ কথা আছে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আন্তঃ গ্ৰহ জীৱনৰ অনুকৰণৰ উদ্দেশ্যে লাডাখৰ লেহত দেশৰ প্ৰথম এনালগ মহাকাশ অভিযান আৰম্ভ কৰিছে। অদূৰ ভৱিষ্যতে ভাৰতে চন্দ্ৰলৈ মানুহ প্ৰেৰণ কৰাৰ পৰিকল্পনাৰ বাবে ইছৰোৰ এই পদক্ষেপে বিশেষ তাৎপৰ্য বহন কৰিছে। এনালগ মহাকাশ অভিযান হৈছে মহাকাশৰ পৰিৱেশৰ সৈতে ভৌতিক সাদৃশ্য থকা কোনো এটা স্থানত চলোৱা ক্ষেত্ৰ পৰীক্ষা। লাডাখৰ ভৌগোলিক বৈশিষ্ট্য, শুকান আৰু ঠাণ্ডা জলবায়ু, বন্যাৰ্ত ভূমি, উচ্চতাত অৱস্থিত ভূখণ্ড আদিৰ মংগল গ্ৰহ আৰু চন্দ্ৰৰ ভূ-প্ৰকৃতিৰ সৈতে ওতঃপ্ৰোত মিল থকা বুলি ধাৰণা কৰা হৈছে। ভাৰতে চন্দ্ৰত বসতি স্থাপনৰ পৰিকল্পনা কৰাৰ পিছতে এই মাহজোৰা অভিযান চলোৱা হৈছে। এই অভিযানত হাব-১ নামৰ এটা বিশেষ বাসগৃহ অন্তৰ্ভুক্ত কৰা

হৈছে যত হাইড্ৰ'পনিক্স ফাৰ্ম, পাকঘৰ, আৰু অনাময় ব্যৱস্থাৰ দৰে অত্যাৱশ্যকীয় সুবিধাসমূহ সংলগ্ন কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ইছৰো কৰ্তৃপক্ষই কয় যে হিউমেন স্পেচফ্লাইট চেণ্টাৰ, ইছৰো, আকা স্পেচ ষ্টুডিঅ', লাডাখ বিশ্ববিদ্যালয়, আই আই টি বম্বে আৰু লাডাখ স্বায়ত্তশাসিত পাহাৰ উন্নয়ন পৰিষদৰ সহযোগত লেহত এই মহাকাশ অভিযান আৰম্ভ কৰা হৈছে। সমুদ্ৰপৃষ্ঠৰ পৰা ৩০০০ মিটাৰতকৈও অধিক উচ্চতাত থকা লাডাখত অক্সিজেনৰ মাত্ৰা মাত্ৰ ৪০ শতাংশ। কম চাপ আৰু কম অক্সিজেনৰ পৰিৱেশে গৱেষকসকলক মংগল গ্ৰহৰ দৰে পৰিস্থিতিত জীৱন সমৰ্থন ব্যৱস্থাৰ মূল্যায়ন কৰিবলৈ সুযেগ প্ৰদান কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ভাৰতৰ মালবিকা বন্সোড়ে হাইলো অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। মালবিকাই কালি ছেমিফাইনেলত ডেনমাৰ্কৰ জুলী ডাবল জেকবছেনক ২৩-২১, ২১-১৮ গেমত পৰাস্ত কৰে। মালবিকা আজি ফাইনেলত ডেনমাৰ্কৰ অন্য এগৰাকী খেলুৱৈ সপ্তম বাছনিপ্ৰাপ্ত মিয়া ব্লিছফেল্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২০২২ বৰ্ষত ছৈয়দ মোদী ইণ্টাৰনেচনেল বি ডব্লিউ এফ ছুপাৰ ৩০০ প্ৰতিযোগিতাৰ ফাইনেলত পি ভি সিন্ধুৰ হাতত পৰাজিত হৈ ৰানাৰ্ছাপৰ খিতাপ অৰ্জন কৰা মালবিকাই এইবাৰ দ্বিতীয়বাৰৰ বাবে বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতীয় ৰেলৱেই ষট পূজা আৰু অন্য উৎসৱৰ বতৰলৈ চাই বিশেষ ৰেল চলাচলৰ ব্যৱস্থা কৰিছে। এনে প্ৰায় ২০ খন ৰেলগাড়ী আজি ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বিভিন্ন ষ্টেচনৰ পৰা কামাখ্যা, দৰভংগা, ৰাছী, পাটনা, কাটৰা, মুজফ্ফৰপুৰ, বলিয়া আৰু আজমগড় আদি ঠাইলৈ যাত্ৰা কৰিব।

০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ৯ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১৭১ ৰাণৰ পৰা দ্বিতীয় ইনিংছ আৰম্ভ কৰিব। নিউজিলেণ্ড হাতত এটা উইকেট বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ১৪৩ ৰাণত আগবাঢ়ি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত ৰবীন্দ্ৰ জাদেজাই চাৰিটা আৰু ৰবিচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। ৱাছিংটন সুন্দৰ আৰু আকাশদীপে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে কালি শুভমন গীলৰ আকৰ্ষণীয় ৯০ আৰু ঋষভ পণ্টৰ ৬০ ৰাণৰ সহায়ত প্ৰথম ইনিংছত ২৬৩ ৰাণ সংগ্ৰহ কৰে আৰু নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ২৮ ৰাণৰ অগ্ৰগতি লাভ কৰে। গীল আৰু ঋষভ পণ্টে ১১৪ টা বলত ৯৬ ৰাণ সংগ্ৰহ কৰি দলৰ স্থিতি

শক্তিশালী কৰে। ৱাছিংটন সুন্দৰে ৩৬ টা বলত ৩৮ ৰাণ সংগ্ৰহ কৰি আউট নোহোৱাকৈ থাকে। আলহী দলটোৰ হৈ এজাজ পেটেলে ৫ টা উইকেট লাভ কৰে।

০০০০০

ভাৰতৰ অতনু দাসে ছুইজাৰলেণ্ডৰ লুছানেত অনুষ্ঠিত ছুইছ অপেন ইণ্ডোৰ আৰ্চাৰী প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। অতনু দাসে কালি ছুইজাৰলেণ্ডৰ থমাছ ৰুফৰক ৬-৪ ফলাফলত পৰাস্ত কৰি প্ৰতিযোগিতাৰ পুৰুষৰ ৰিকাৰ্ভ শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে। ইয়াৰ পূৰ্বে অতনু দাসে ছেমিফাইনেলত ফ্ৰান্সৰ ৰোমেন ফিচেটৰ হাতত ৪-৬ ফলাফলত পৰাজিত হয়। এই শিতানত ইটালীৰ এলেছেন্দ্ৰো পাঅ'লিয়ে সোণৰ আৰু ৰোমেনে ৰূপৰ পদক লাভ কৰে। এই প্ৰতিযোগিতাত ৩১ খন দেশৰ ৩০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ' ছানচেজে বানপ্ৰভাৱিত ভেলেনচিয়ালৈ অতিৰিক্ত ৫ হাজাৰ সৈন্য, ৫ হাজাৰ আৰক্ষী বিষয়া আৰু অসামৰিক নিৰাপত্তাৰক্ষীক প্ৰেৰণ কৰাৰ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰী পেড্ৰ' ছানচেজে কয় যে, দেশখনত এই পৰ্যন্ত বানৰ প্ৰকোপত ২১১ জন লোকৰ মৃত্যু হৈছে আৰু এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সোমবাৰৰ পৰা আৰম্ভ হোৱা প্ৰচণ্ড বৰষুণৰ ফলত বানে কেবাখনো দলং ক্ষতিগ্ৰস্ত কৰাৰ লগতে কৰি চহৰবোৰ বোকাময় কৰি তুলিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এতিয়াও অণ্চলচোত বহু লোক সন্ধানহীন হৈ আছে। আবাসগৃহসমূহ বোকাত পোত গৈছে। ইতিমধ্যে ভেলেন্সিয়া অঞ্চলত প্ৰায় ১৭০০ সেনাই অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

০০০০০

**সমাপ্ত**